① 3rd Sem (FYUGP) – 2024



# 2024

## ECONOMICS

Paper : ECO0300104

**( Intermediate Economics )**

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions*

**1.** Answer the following as directed : 1×8=8

তলত দিয়াবোৰৰ নিৰ্দেশানুসৰি উত্তৰ দিয়া :

*(a)* Define indifference curve.

নিৰপেক্ষ ৰেখাৰ সংজ্ঞা দিয়া ।

*(b)* Slope of the budget line is positive. (Write True or False)

দৰ ৰেখাৰ ঢাল ধনাত্মক । (সঁচা নে মিছা লিখা)

*(c)* When total product is maximum, marginal product starts declining. (Write True or False)

যেতিয়া মুঠ উৎপাদ সৰ্বোচ্চ হয়, প্ৰান্তিক উৎপাদ হ্ৰাস হ'বলৈ ধৰে । (সঁচা নে মিছা লিখা)

*(d)* Diminishing MRTS results in isoquants being convex/concave to the origin.

(Choose the correct option)

ক্ৰমহ্ৰাসমান MRTS ৰ বাবে সমউৎপাদন ৰেখা কেন্দ্ৰৰ প্ৰতি উত্তল/অৱতল হয়।

(শুদ্ধ বিকল্পটো বাছি উলিওৱা)

*(e)* State briefly the essence of Say's law of market.

বজাৰৰ চে'ৰ বিধিৰ মূল কথাটো চমুকৈ উল্লেখ কৰা।

*(f)* What kind of inflation is caused by an increase in wages and import prices?

মজুৰি আৰু আমদানি দৰ বৃদ্ধিৰ ফলত কি ধৰণৰ মুদ্ৰাস্ফীতি হয়?

*(g)* In a perfectly competitive market, average revenue = _____.

(Fill in the blank)

পূৰ্ণ প্ৰতিযোগী বজাৰত, গড় আয় = _____।

(খালী ঠাই পূৰণ কৰা)

*(h)* Adam Smith advocated autarky as an economic policy.

(Write True or False)

এডাম স্মিথে স্বনিৰ্ভৰ ব্যৱস্থাক এক অৰ্থনৈতিক নীতি হিচাপে বিশ্বাস কৰিছিল। (সঁচা নে মিছা লিখা)





**2.** Answer any *six* of the following questions : 2×6=12

তলৰ প্ৰশ্নবোৰৰ যি কোনো ছটাৰ উত্তৰ দিয়া :

*(a)* Give two examples of fixed costs.

স্থিৰ ব্যয়ৰ দুটা উদাহৰণ দিয়া।

*(b)* Define expansion path of a firm.

এখন প্ৰতিষ্ঠানৰ সম্প্ৰসাৰণ পথৰ সংজ্ঞা দিয়া।

*(c)* Distinguish between average revenue and marginal revenue.

গড় আয় আৰু প্ৰান্তিক আয়ৰ মাজত পাৰ্থক্য লিখা।

*(d)* Explain the effect of income change and price change of a good on the budget line of a consumer.

উপভোক্তাৰ দৰ ৰেখাৰ ওপৰত আয় পৰিৱৰ্তন আৰু এটা সামগ্ৰীৰ দৰ পৰিৱৰ্তনৰ প্ৰভাৱ ব্যাখ্যা কৰা।

*(e)* Draw the indifference curves for perfect substitutes and perfect complements.

সম্পূৰ্ণ বিকল্প আৰু সম্পূৰ্ণ পৰিপূৰক সামগ্ৰীৰ নিৰপেক্ষ ৰেখা অংকন কৰা।

*(f)* What is normal profit?

স্বাভাৱিক লাভ কি?

*(g)* State and explain the equation of exchange.
বিনিময় সমীকৰণ উল্লেখ কৰি ব্যাখ্যা কৰা।

*(h)* What is the difference between precautionary motive and speculative motive of demand for money?
মুদ্ৰাৰ চাহিদা সতৰ্কতা অভিপ্ৰায় আৰু কল্পনাপ্ৰসূত অভিপ্ৰায়ৰ মাজত পাৰ্থক্য কি?

*(i)* Briefly state the components of Keynes' aggregate effective demand.
কেইন্সৰ সৰ্বমুঠ ফলপ্ৰসূ চাহিদাৰ অংশবোৰ চমুকৈ উল্লেখ কৰা।

*(j)* What is comparative advantage in production?
উৎপাদনৰ তুলনামূলক সুবিধা কি?

**3.** Answer any *four* of the following questions : 5×4=20
তলৰ প্ৰশ্নবোৰৰ যি কোনো **চাৰিটাৰ** উত্তৰ দিয়া :

*(a)* Prove that the marginal rate of substitution (MRS) between two goods is equal to the absolute slope of the indifference curve and also equal to the ratio of marginal utilities.
প্ৰমাণ কৰা যে দুবিধ সামগ্ৰীৰ বিকল্পনৰ প্ৰান্তিক হাৰ (MRS) নিৰপেক্ষ ৰেখাৰ আপেক্ষিক ঢালৰ সমান আৰু প্ৰান্তিক উপযোগিতাৰ অনুপাতৰো সমান।





*(b)* Explain the following properties : 2½×2=5
তলৰ ধৰ্মবোৰ ব্যাখ্যা কৰা :

*(i)* Indifference curve slopes from left to right.
নিৰপেক্ষ ৰেখা বাওঁফালৰ পৰা সোঁফাললৈ গতি কৰে।

*(ii)* Two indifference curves cannot intersect.
দুডাল নিৰপেক্ষ ৰেখাই কটাকটি কৰিব নোৱাৰে।

*(c)* When are L-shaped isoquants obtained? Explain.
L-আকৃতিৰ সমউৎপাদন ৰেখা কেতিয়া পোৱা যায়? ব্যাখ্যা কৰা।

*(d)* State and discuss the law of variable proportions.
পৰিৱৰ্তনশীল অনুপাত বিধিটো ব্যক্ত কৰি আলোচনা কৰা।

*(e)* Why is the average revenue curve under monopoly downward sloping? Discuss.
একচেটিয়া বজাৰত গড় আয় ৰেখা নিম্নগামী হয় কিয়? আলোচনা কৰা।

(f) Illustrate the factors that cause demand-pull inflation.

চাহিদাজনিত মুদ্ৰাস্ফীতি সংঘটিত কৰা কাৰণবোৰ বৰ্ণনা কৰা।

(g) How does Keynes' theory differ from the quantity theory as a theory of demand for money?

মুদ্ৰাৰ চাহিদা তত্ত্ব হিচাপে কেইন্সৰ তত্ত্বটো পৰিমাণ তত্ত্বৰ পৰা কিদৰে পৃথক ?

(h) Discuss the benefits of free international trade.

মুক্ত বৈদেশিক বাণিজ্যৰ সুবিধাবোৰ আলোচনা কৰা।

**4.** Answer any *two* of the following questions : 10×2=20

তলৰ প্ৰশ্নবোৰৰ যি কোনো দুটাৰ উত্তৰ দিয়া :

(a) Explain consumer's equilibrium with indifference curves. Also show that price effect is the sum-total of income and substitution effects. 5+5=10

নিৰপেক্ষ ৰেখাৰ সৈতে উপভোক্তাৰ ভাৰসাম্য ব্যাখ্যা কৰা। লগতে দেখুওৱা যে দৰ প্ৰভাৱ হৈছে আয় আৰু বিকল্পন প্ৰভাৱৰ সমষ্টি।

(b) Explain in detail the laws of returns to scale. 10

উৎপাদন মাত্ৰাৰ প্ৰতিদান বিধিটো বিস্তৃতভাৱে ব্যাখ্যা কৰা।





(c) Explain the credit creation process of commercial banks. How does the Central Bank influence the capacity of credit creation by the commercial banks? 6+4=10

বাণিজ্যিক বেংকৰ ঋণ সৃষ্টি প্ৰক্ৰিয়াটো ব্যাখ্যা কৰা। কেন্দ্ৰীয় বেংকে বাণিজ্যিক বেংকৰ ঋণ সৃষ্টি ক্ষমতাত কিদৰে প্ৰভাৱ বিস্তাৰ কৰে ?

(d) Discuss the classical theory of full employment. Examine Keynes' critique of the classical theory. 6+4=10

পূৰ্ণ নিয়োগৰ পৌৰাণিক তত্ত্বটো আলোচনা কৰা। পৌৰাণিক তত্ত্বটোৰ ওপৰত কেইন্সৰ সমালোচনাবোৰ পৰীক্ষা কৰা।

(e) Distinguish between the static and dynamic gains from trade. Discuss how trade helps achievement of gains from consumption and gains from production. 4+6=10

বাণিজ্যৰ স্থিৰ আৰু গতিশীল লাভবোৰৰ মাজৰ পাৰ্থক্য নিৰূপণ কৰা। বাণিজ্যই কিদৰে উপভোগৰ লাভ আৰু উৎপাদনৰ লাভ অৰ্জনত সহায় কৰে, আলোচনা কৰা।

* * *

Total number of printed pages–7

**1 (Sem–3/FYUGP) ECO41 MJ**

**2025**

# ECONOMICS

( Major )

Paper : ECO4300104 MJ

***( Intermediate Economics )***

*Full Marks : 60*

Time : 2½ hours

***The figures in the margin indicate full marks for the questions.***

*Answer* ***either*** *in Assamese* ***or*** *in English.*

1. Answer the following as directed: 1×8=8

তলত দিয়াবোৰৰ নিৰ্দেশানুসৰি উত্তৰ লিখাঃ

*(a)* What does a consumption bundle refer to?

উপভোগ টোপোলাই কি বুজায়?

*(b)* In an indifference curve, consumer's preferences are assumed to be complete. *(Write 'True' or 'False')*

নিৰপেক্ষ ৰেখাও উপভোক্তাৰ পছন্দবোৰ সম্পূৰ্ণ বুলি ধৰি লোৱে। ('সঁচা' নে 'মিছা' লিখা।)

(c) Average product of labour is obtained by dividing total product of labour by ______. (Fill in the blank)

শ্ৰমৰ মুঠ উৎপাদনক ______ ৰে হৰণ কৰিলে শ্ৰমৰ গড় উৎপাদন পোৱা যায়। (খালী ঠাই পূৰণ কৰা)

(d) State the relationship between AR, MR and elasticity of demand.

AR, MR আৰু চাহিদাৰ স্থিতিস্থাপকতাৰ সম্বন্ধ লিখা।

(e) Classical economists believed that money is mainly demanded as a store of value. (Write 'True' or 'False')

পৌৰাণিক অৰ্থনীতিবিদ সকলে বিশ্বাস কৰিছিল যে মুদ্ৰাক মূল্যৰ ভঁৰাল হিচাপে প্ৰধানকৈ বিচৰা হয়। ('সঁচা' নে 'মিছা' লিখা)

(f) Define autarky

Autarky ৰ সংজ্ঞা লিখা

(g) What is the most liquid measure of money supply?

মুদ্ৰা যোগানৰ আটাইতকৈ বেছি তৰল মানকটো কি?



(h) An increase in CRR leads to increase in money supply. (Write 'True' or 'false')

CRR বৃদ্ধিয়ে মুদ্ৰাৰ যোগান বৃদ্ধি কৰে। ('সঁচা' নে 'মিছা' লিখা)

2. Answer **any six** of the following : 2×6=12

তলৰ প্ৰশ্নবোৰৰ ***যিকোনো ছটাৰ*** উত্তৰ লিখা :

(a) What is weak preference of a consumer?

উপভোক্তাৰ দুৰ্বল পছন্দ কি?

(b) Why are indifference curves convex to the origin?

নিৰপেক্ষ ৰেখা কেন্দ্ৰৰ প্ৰতি উত্তল কিয়?

(c) Explain the nature of the long run AC curve.

দীৰ্ঘকালীন AC ৰেখাৰ প্ৰকৃতি ব্যাখ্যা কৰা।

(d) Why is the average revenue curve in perfectly competitive market horizontal?

পূৰ্ণ প্ৰতিযোগী বজাৰত গড় আয় ৰেখা ভূমিৰ সমান্তৰাল হয় কিয়?

(e) Mention *two* needs for regulation of monopoly.

একচেটিয়া বজাৰ নিয়ন্ত্ৰণ কৰিব লগা হোৱাৰ *দুটা* কাৰণ লিখা।

(f) Mention *two* criticisms against the Say's Law of Markets.

চেৰ বজাৰ বিধিৰ দুটা সমালোচনা উল্লেখ কৰা।

(g) What is bank rate?

বেংক হাৰ কি?

(h) Define high-powered money.

উচ্চ ক্ষমতাযুক্ত মুদ্ৰাৰ সংজ্ঞা দিয়া।

(i) How does liquidity trap arise?

তাৰল্য ফান্দ কেনেকৈ উদ্ভৱ হয়?

(j) State how super-normal profit is eliminated in the long run.

দীৰ্ঘকালত কেনেকৈ অস্বাভাবিক লাভ নোহোৱা হয় উল্লেখ কৰা।

3. Answer ***any four*** of the following questions: 5×4=20

তলৰ প্ৰশ্নবোৰৰ ***যিকোনো চাৰিটাৰ*** উত্তৰ লিখা ঃ

(a) Draw a budget line and explain its slope.

এডাল বাজেট ৰেখা অংকন কৰা আৰু তাৰ ঢালে ব্যাখ্যা কৰা।



(b) What is MRS? Explain the nature of MRS in indifference curves. 1+4=5

MRS কি? নিৰপেক্ষ ৰেখাত MRS-ৰ প্ৰকৃতি ব্যাখ্যা কৰা।

(c) Discuss the characteristics of iso-quants.

সম-উৎপাদন ৰেখাৰ বৈশিষ্ট্যবোৰ আলোচনা কৰা।

(d) What is average variable cost? State the relationship between average cost and average variable cost. 2+3=5

গড় পৰিৱৰ্তনশীল ব্যয় কি? গড় ব্যয় আৰু গড় পৰিৱৰ্তনশীল ব্যয়ৰ সম্পৰ্ক লিখা।

(e) What are returns to scale? Show how different types of returns to scale are associated with homogeneous production function. 1+4=5

মাত্ৰাৰ প্ৰতিদান কি? সমগুনী উৎপাদন ফলনৰ লগত বিভিন্ন প্ৰকাৰৰ মাত্ৰাৰ প্ৰতিদান কিদৰে সম্পৰ্কিত দেখুওৱা।

(f) Define aggregate effective demand. How does it affect investment in an economy? 1+4=5

সৰ্বমুঠ ফলপ্ৰসূ চাহিদাৰ সংজ্ঞা দিয়া। এখন অৰ্থনীতিৰ বিনিয়োগত ই কিদৰে প্ৰভাৱ পেলায়?

(g) Discuss money multiplier as a determinant of money supply.

মুদ্ৰা যোজনাৰ নিৰ্ণয়কাৰী হিচাপে মুদ্ৰা গুনক আলোচনা কৰা।

(h) Discuss the advantages of free trade.

মুক্ত বাণিজ্যৰ সুবিধাবোৰ ব্যাখ্যা কৰা।

4. Answer ***any two*** of the following question : 10×2=20

তলৰ প্ৰশ্নবোৰৰ ***যিকোনো দুটাৰ*** উত্তৰ লিখা ঃ

(a) What is an inferior good? Discuss income and substitution effects for an inferior good. 2+8=10

নিকৃষ্ট দ্ৰব্য কি? নিকৃষ্ট দ্ৰব্যৰ আয় প্ৰভাৱ আৰু প্ৰতিকল্পন প্ৰভাৱ আলোচনা কৰা।

(b) What is expansion path? Explain how it can be obtained in production using two inputs. 2+8=10

সম্প্ৰসাৰণ পথ কি? দুটা উপাদান ব্যৱহাৰ কৰি উৎপাদনত ইয়াক কেনেকৈ পাব পাৰি ব্যাখ্যা কৰা।



(c) Define shut down point. Illustrate shut down point in a perfectly competitive market. 2+8=10

তলাবন্ধ বিন্দুৰ সংজ্ঞা দিয়া। পূৰ্ণ প্ৰতিযোগী বাজাৰৰ তলাবন্ধ বিন্দু ব্যাখ্যা কৰা।

(d) Distinguish between cost push and demand pull inflation. State the causes of demand pull inflation. Also discuss how demand pull inflation occurs with increase in aggregate demand. 3+3+4=10

ব্যয় জনিত আৰু চাহিদা জনিত মুদ্ৰাস্ফীতিৰ পাৰ্থক্য লিখা। চাহিদা জনিত মুদ্ৰাস্ফীতিৰ কাৰণবোৰ লিখা। লগতে সৰ্বমুঠ চাহিদা বৃদ্ধিয়ে কিদৰে চাহিদা জনিত মুদ্ৰাস্ফীতি সৃষ্টি কৰে আলোচনা কৰা।

(e) Distinguish between absolute advantage and comparative advantage. Discuss the comparative advantage theory of trade. 4+6=10

চৰম সুবিধা আৰু তুলনামূলক সুবিধাৰ পাৰ্থক্য লিখা। বাণিজ্যৰ তুলনামূলক সুবিধা তত্ত্বটো আলোচনা কৰা।

———

Total number of printed pages–7

**1 (Sem–3/FYUGP) ECO42MJ**

**2025**

# ECONOMICS

( Major )

Paper : ECO4300204 MJ

***( Indian Economy )***

*Full Marks : 60*

Time : 2½ hours

***The figures in the margin indicate full marks for the questions.***

*Answer* **either** *in English* **or** *in Assamese.*

1. Answer the following questions : 1×8=8

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ

*(a)* What does MSME stand for ?

MSME এ কি বুজায় ?

*(b)* Mention *one* component of GST ?

GST'ৰ *এটা* উপাদান লিখা।

*(c)* What does per capita income mean ?

জনমূৰি আয় বুলিলে কি বুজায় ?

(d) Name *one* indicator of economic inequality.

আর্থিক অসমতাৰ *এটা* সূচকৰ নাম লিখা।

(e) What is meant by 'market-oriented reforms?

বজাৰভিত্তিক সংস্কাৰ বুলিলে কি বুজায়?

(f) Why is per capita income a better indicator of economic welfare than GDP?

GDP তকৈ জনমূৰি আয় আৰ্থিক কল্যাণৰ ভাল সূচক কিয়?

(g) What does FDI stand for?

FDI'ৰ পূৰ্ণ ৰূপ কি ?

(h) In which year new economic reforms introduced?

নতুন অৰ্থনৈতিক সংস্কাৰ কেতিয়া আৰম্ভ হৈছিল ?

2. Answer **any six** of the following questions : 2×6=12

তলৰ প্ৰশ্নসমূহৰ *যিকোনো ছয়টাৰ* উত্তৰ দিয়া :

(a) Mention *two* objectives of land reforms.

ভূমি সংস্কাৰৰ *দুটা* মুখ্য উদ্দেশ্য লিখা।



(b) State *two* challenges faced by the Indian manufacturing sector.

ভাৰতৰ উৎপাদন খণ্ডই সন্মুখীন হোৱা *দুটা* প্ৰধান প্ৰত্যাহ্বান লিখা।

(c) Define trade openness.

বাণিজ্য উদাৰতাৰ সংজ্ঞা লিখা।

(d) Why is financial inclusion important for economic development?

অৰ্থনৈতিক উন্নয়নৰ বাবে অৰ্থনৈতিক অন্তৰ্ভুক্তি কিয় গুৰুত্বপূৰ্ণ ?

(e) Explain the concept of land reforms.

ভূমি সংস্কাৰৰ ধাৰণাটো ব্যাখ্যা কৰা।

(f) What is the significance of the MSME sector?

MSME খণ্ডৰ গুৰুত্ব কি ?

(g) What are the key sectors of the Indian economy?

ভাৰতীয় অৰ্থনীতিৰ মুখ্য খণ্ডসমূহ কি কি ?

(h) Compare GDP and GNP.

GDP আৰু GNPৰ তুলনা কৰা।

(i) Can GDP growth alone ensure inclusive development ?

অকল GDP বৃদ্ধিয়ে অন্তৰ্ভুক্ত উন্নয়ন নিশ্চিত কৰিব পাৰেনে ?

(j) How does inequality affect overall economic growth ?

আৰ্থিক অসমতাই সামগ্ৰিক অৰ্থনৈতিক বৃদ্ধি কেনেদৰে প্ৰভাবিত কৰে ?

3. Answer ***any four*** of the following questions : 5×4=20

তলৰ প্ৰশ্নসমূহৰ ***যিকোনো চাৰিটাৰ*** উত্তৰ দিয়া ঃ

(a) Examine the role of PMGSY and MGNREGA in rural transformation.

গ্ৰামীণ ৰূপান্তৰণত PMGSY আৰু MGNREGAৰ ভূমিকা বিশ্লেষণ কৰা।

(b) Examine how globalization has affected Indian's economic equality.

বিশ্বায়নে ভাৰতৰ অৰ্থনৈতিক অসমতাৰ ওপৰত কেনেকৈ প্ৰভাব পেলাইছে বিশ্লেষণ কৰা।



(c) "Slow Industrial growth has limited job creation in India". Explain.

"ঔদ্যোগিক উৎপাদনৰ ধীৰ গতিয়ে ভাৰতত কৰ্মসংস্থাপন সীমিত কৰিছে।" ব্যাখ্যা কৰা।

(d) Has economic growth in India been inclusive ? Explain.

ভাৰতৰ আৰ্থিক বৃদ্ধি অন্তৰ্ভুক্ত বৃদ্ধি নে ? বুজাই লিখা।

(e) Analyse the contribution of the service sector to India's economic growth.

ভাৰতৰ অৰ্থনৈতিক বৃদ্ধিত সেৱা খণ্ডৰ অবদান বিশ্লেষণ কৰা।

(f) Briefly compare the growth performance of India before and after reforms.

সংস্কাৰৰ আগত আৰু পাছত ভাৰতৰ বৃদ্ধি চমুকৈ তুলনা কৰ।

(g) "High GDP does not necessarily mean high welfare." Discuss.

উচ্চ GDP মানে সদায় উচ্চ কল্যাণ নহয়"। আলোচনা কৰা।

(h) Briefly explain the major reforms introduced under GST and their impact on revenue collection.

GSTৰ অধীনত গ্ৰহণ কৰা মুখ্য সংস্কাৰসমূহ আৰু আয় সংগ্ৰহত সেইবোৰৰ প্ৰভাব চমুকৈ ব্যাখ্যা কৰা।

4. Answer ***any two*** of the following questions : 10×2=20

তলৰ প্ৰশ্নসমূহৰ *যিকোনো দুটাৰ* উত্তৰ দিয়া :

*(a)* Evaluate the success and limitations of India's rural development programmes.

ভাৰতৰ গ্ৰামীণ উন্নয়ন কাৰ্যসূচীসমূহৰ সফলতা আৰু সীমাবদ্ধতা মূল্যায়ন কৰা।

*(b)* Critically analyse whether Indian economic growth since 1991 has been inclusive and sustainable.

1991ৰ পাছত ভাৰতৰ অৰ্থনৈতিক বৃদ্ধি অন্তৰ্ভুক্তিমূলক আৰু বহনক্ষম হয় নে নহয় সমালোচনামূলকভাৱে বিশ্লেষণ কৰা।

*(c)* Discuss the significance of major reforms — land, labour and banking, in shaping India's modern economy.

আধুনিক ভাৰতীয় অৰ্থনীতি গঢ়াত ভূমি, শ্ৰম আৰু বেংকিঙৰ প্ৰধান সংস্কাৰসমূহৰ তাৎপৰ্য আলোচনা কৰা।

*(d)* Analyse the causes and consequences of the 1991 economic reforms.

1991 চনৰ আৰ্থিক সংস্কাৰৰ কাৰণ আৰু ফলাফলসমূহ পৰ্যালোচনা কৰা।



*(e)* Analyse sectoral shifts in GDP and employment patterns in India.

ভাৰতৰ GDP আৰু কৰ্মসংস্থানৰ আৰ্হিৰ খণ্ডভিত্তিক স্থানান্তৰ বিশ্লেষণ কৰা।

---

*Total number of printed pages–7*

**1 (Sem–3/FYUGP) ECO41MN/(A)**

**2025**

# ECONOMICS

( Minor )

Paper : ECO4300104 MN

**SET–A**

***( Intermediate Economics )***

*Full Marks : 60*

Time : 2½ hours

***The figures in the margin indicate full marks for the questions.***

*Answer* ***either*** *in English* ***or*** *in Assamese.*

1. Answer the following as directed : 1×8=8

তলত দিয়াবোৰৰ নিৰ্দেশানুসৰি উত্তৰ দিয়া ঃ

*(a)* Define budget line.

বাজেট ৰেখাৰ সংজ্ঞা দিয়া।

*(b)* The Indifference curve analysis is based on cardinal utility. *(Write true* ***or*** *false)*

নিৰপেক্ষ ৰেখা বিশ্লেষণ সংখ্যাবাচক উপযোগিতাৰ ওপৰত প্ৰতিস্থিত। *(সঁচা নে মিছা লিখা)*

(c) When the total product reaches its maximum, marginal product is zero. *(Write true **or** false)*

যেতিয়া মুঠ উৎপাদন সৰ্বোচ্চ হয়, প্ৰান্তিক উৎপাদন শূন্য হয়। *(সঁচা নে মিছা লিখা)*

(d) What does the expansion path of a firm show?

এখন প্ৰতিষ্ঠানৰ সম্প্ৰসাৰণ পথে কি দেখুৱায়?

(e) Normal profit is earned, when AR = ________. *(Fill in the blank)*

স্বাভাৱিক লাভ উপাৰ্জিত হয়, যেতিয়া AR = ________ *(খালী ঠাই পূৰণ কৰা)*

(f) Under Monopoly, AR curve lies above MR curve. *(Write true **or** false)*

একচেটিয়া বজাৰত AR ৰেখা MR ৰেখাৰ ওপৰত থাকে। *(সঁচা নে মিছা লিখা)*

(g) What is meant by inflation?

মুদ্ৰাস্ফীতি বা মূল্যবৃদ্ধি বুলিলে কি বুজায়?

(h) Adam Smith advocated free trade. *(Write true **or** false)*

মুক্ত বাণিজ্য এডাম স্মিথে উলিয়াইছিল। *(সঁচা নে মিছা লিখা)*



2. Answer ***any six*** of the following questions: 2×6=12

তলৰ প্ৰশ্নবোৰৰ ***যিকোনো ছয়টাৰ*** উত্তৰ দিয়া ঃ

(a) What is free trade?

মুক্ত বাণিজ্য কি?

(b) What is Opportunity Cost in Production?

উৎপাদনত সুযোগ ব্যয় কি?

(c) Define 'Liquidity Preference' in Keynesian terms.

কেইন্‌চৰ ভাষাত তাৰল্য প্ৰীতিৰ সংজ্ঞা দিয়া।

(d) What are the conditions of equilibrium of a firm?

এখন প্ৰতিষ্ঠানৰ ভাৰসাম্যৰ চৰ্তসমূহ কি কি?

(e) What do you mean by demand pull inflation?

চাহিদাজনিত মুদ্ৰাস্ফীতি বুলিলে কি বুজা?

(f) What is super normal profit?

অস্বাভাবিক লাভ কি?

(g) Distinguish between average cost and marginal cost.

গড়ব্যয় আৰু প্ৰান্তিক ব্যয়ৰ মাজৰ পাৰ্থক্য দেখুওৱা।

(h) What does the price effect denote?

দৰ বিপাকে কি বুজায়?

(i) State the Says law of market.

'চে'ৰ বজাৰ বিধিটো লিখা।

(j) What is an isocost line?

সমব্যয় ৰেখা কি?

3. Answer ***any four*** of the following: 5×4=20

তলত দিয়া ***যিকোনো চাৰিটাৰ*** উত্তৰ লিখা ঃ

(a) Explain why *two* indifference curves cannot intersect each other.

দুডাল নিৰপেক্ষ ৰেখাই কিয় পৰস্পৰ কটাকটি নকৰে ব্যাখ্যা কৰা।

(b) Distinguish between cardinal and ordinal concept of utility.

সংখ্যাবাচক আৰু গুণবাচক উপযোগিতাৰ ধাৰণাৰ পাৰ্থক্য দেখুওৱা।



(c) Why does the MRTS fall as one input is substituted by the other? Explain.

এটা কেঁচা সামগ্ৰীৰ বিকল্প হিচাপে আন এটা সামগ্ৰীৰ প্ৰয়োগে বিকল্পন প্ৰান্তিক কাৰিকৰী হৰিক (MRTS) কিয় নিম্নগামী কৰে ব্যাখ্যা কৰা।

(d) Distinguish between the demand curve of the monopolist and that of a perfectly competitive firm.

একচেটীয়া আৰু পূৰ্ণ প্ৰতিযোগিতামূলক প্ৰতিষ্ঠান এখনৰ চাহিদা ৰেখাৰ পাৰ্থক্য দেখুওৱা।

(e) What are the primary functions of money according to classical theory?

সংস্থাপিত তত্ত্ব অনুসৰি মুদ্ৰাৰ প্ৰাথমিক কাৰ্য্যসমূহ কি কি?

(f) Explain the causes of Cost Push inflation.

ব্যয়জনিত মুদ্ৰাস্ফীতিৰ কাৰণসমূহ ব্যাখ্যা কৰা।

(g) Discuss the various dynamic gains from trade.

বাণিজ্যৰ গতিশীল লাভসমূহৰ বিষয়ে আলোচনা কৰা।

(h) Why indifference curves are convex to the origin? Explain.

কিয় নিৰপেক্ষ ৰেখাসমূহ কেন্দ্ৰৰ ফালে উত্তল? ব্যাখ্যা কৰা।

4. Answer ***any two*** of the following : 10×2=20

তলত দিয়া ***যিকোনো দুটাৰ*** উত্তৰ লিখা ঃ

*(a)* What is indifference curve ? Explain the properties of indifference curves with diagram.

নিৰপেক্ষ ৰেখা কি ? নিৰপেক্ষ ৰেখাৰ বৈশিষ্ট্যসমূহ চিত্ৰৰ সহায়ত ব্যাখ্যা কৰা।

*(b)* Discuss how a competitive firm attains equilibrium in the short run and in the long run.

পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ ব্যৱসায় প্ৰতিষ্ঠান এটাই হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন ভাৰসাম্য কেনেদৰে লাভ কৰে আলোচনা কৰা।

*(c)* Discuss the Keynesian Liquidity Preference Theory and how it contrasts with the classical view of interest rates.

কেইনছৰ তাৰল্য প্ৰীতি তত্বটো আলোচনা কৰা আৰু ই সংস্থাপিত সুদৰ হাৰৰ দৃষ্টিকোণৰ পৰা কেনেদৰে পৃথক?

*(d)* Illustrate the process of monetary control by the Central Bank using its various tools.

বিভিন্ন অহিলা ব্যৱহাৰ কৰি কেন্দ্ৰীয় বেংকে কৰা মৌদ্ৰিক নিয়ন্ত্ৰণ প্ৰক্ৰিয়াটো বিশ্লেষণ কৰা।



*(e)* Critically explain the comparative advantage theory of international trade.

আন্তৰ্জাতিক বাণিজ্যৰ তুলনামূলক সুবিধাৰ তত্বটো সমালোচনাৰে ব্যাখ্যা কৰা।

**1 (Sem–3/FYUGP) ECO42 MN (A)**

**2025**

# ECONOMICS

( Minor )

Paper : ECO4300204 MN

**SET–A**

***( Indian Economy )***

*Full Marks : 60*

Time : 2½ hours

***The figures in the margin indicate full marks for the questions.***

*Answer **either** in English **or** in Assamese.*

1. Answer the following questions : 1×8=8

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া ঃ

*(a)* Define Balance of Payments.

লেনদেনৰ ভাৰসাম্যৰ সংজ্ঞা লিখা।

*(b)* What is the full form of LPG in the context of Indian economy?

ভাৰতীয় অৰ্থনীতিৰ প্ৰেক্ষাপটত LPG ৰ সম্পূৰ্ণ ৰূপটো কি?

(c) What is meant by land reform?

ভূমি সংস্কাৰ বুলিলে কি বুজায় ?

(d) Write *one* main objective of Prime Minister's Jan Dhan Yojana.

প্ৰধানমন্ত্ৰীৰ জন ধন যোজনাৰ *এটা* প্ৰধান উদ্দেশ্য লিখা।

(e) What is meant by Foreign Direct Investment?

বৈদেশিক প্ৰত্যক্ষ বিনিয়োগ মানে কি ?

(f) What is the full form of ASEAN?

ASEAN ৰ সম্পূৰ্ণ ৰূপ কি ?

(g) What is meant by Liberalisation?

উদাৰীকৰণ বুলিলে কি বুজায়?

(h) What is meant by Financial inclusion?

বিত্তীয় অন্তৰ্ভুক্তি' বুলিলে কি বুজায় ?

2. Answer **any six** of the following questions : 2×6=12

তলত দিয়া প্ৰশ্নসমূহৰ ***যিকোনো ছয়টাৰ*** উত্তৰ দিয়া ঃ

(a) Mention *two* objectives of land reforms.

ভূমি সংস্কাৰৰ *দুটা* উদ্দেশ্য উল্লেখ কৰা।



(b) Write *any two* negative effects of Green Revolution.

সেউজ বিপ্লৱৰ *যিকোনো দুটা* ঋণাত্মক প্ৰভাৱ লিখা।

(c) What are the basic features of economic reforms initiated in 1991?

১৯৯১ চনত গ্ৰহণ কৰা অৰ্থনৈতিক সংস্কাৰৰ মূল বৈশিষ্ট্য কেইটা কি কি ?

(d) Mention *two* causes of poverty and inequality in India.

ভাৰতবৰ্ষৰ দৰিদ্ৰতা আৰু অসমতাৰ *দুটা* কাৰণ উল্লেখ কৰা।

(e) Mention *two* causes of slow growth of Indian manufacturing sector.

ভাৰতবৰ্ষৰ প্ৰস্তুতকাৰক উদ্যোগ খণ্ডৰ লেহেমীয়া বিকাশৰ *দুটা* কাৰণ উল্লেখ কৰা।

(f) Distinguish between Foreign Direct Investment and Foreign Institutional Investment.

বৈদেশিক প্ৰতক্ষ্য বিনিয়োগ আৰু বৈদেশিক আনুষ্ঠানিক বিনিয়োগৰ মাজ পাৰ্থক্য নিৰ্ণয় কৰা।

(g) Mention *any two* free trade initiatives between India and ASEAN.

ভাৰত বৰ্ষ আৰু ASEAN ৰ মাজৰ *যিকোনো দুটা* মুক্ত বাণিজ্যৰ পদক্ষেপ উল্লেখ কৰা।

(h) What is meant by labour laws?

শ্ৰমিক আইন বুলিলে কি বুজায় ?

(i) Write *two* objectives of banking sector reforms in India.

ভাৰতবৰ্ষৰ বেংকিং খণ্ডৰ সংস্কাৰ সাধানৰ *দুটা* উদ্দেশ্য লিখা।

(j) Mention *any two* initiatives taken by the Government of India for development of Micro, Small and Medium (MSME) Enterprises.

ভাৰতবৰ্ষৰ চৰকাৰে অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডৰ উন্নয়নৰ বাবে লোৱা *যিকোনো দুটা* ব্যৱস্থা উল্লেখ কৰা।

3. Answer ***any four*** from the following questions : 5×4=20

তলৰ প্ৰশ্নসমূহৰ ***যিকোনো চাৰিটাৰ*** উত্তৰ লিখা ঃ

(a) Outline the main features of financial sector reforms initiated in 1991.

১৯৯১ চনত আৰম্ভ কৰা বিত্তীয় খণ্ডৰ সংস্কাৰসমূহৰ প্ৰধান বৈশিষ্ট্যৰ ওপৰত আলোকপাত কৰা।



(b) Explain the main factors responsible for BOP crisis in India during 1980's.

১৯৮০ ৰ দশকত ভাৰতবৰ্ষৰ লেনদেনৰ ভাৰসাম্যৰ সংকটৰ কাৰণে জগৰীয়া মূল কাৰণকেইটা ব্যাখ্যা কৰা।

(c) Discuss the role of PMGSY and MGNREGA in rural transformation of India.

ভাৰতবৰ্ষৰ গ্ৰাম্য ৰূপান্তৰণৰ ক্ষেত্ৰত PMGSY আৰু MGNREGA ৰ ভূমিকা আলোচনা কৰা।

(d) Explain the role of manufacturing sector in Indian economy.

ভাৰতীয় অৰ্থনীতিত প্ৰস্তুতকাৰী খণ্ডৰ ভূমিকা ব্যাখ্যা কৰা।

(e) Outline the Government policy towards foreign capital flows in the post reform period.

অৰ্থনৈতিক সংস্কাৰৰ পৰৱতী কালত বৈদেশিক মূলধনৰ প্ৰবাহৰ বাবে গ্ৰহণ কৰা চৰকাৰী নীতিবোৰ আলোকপাত কৰা।

(f) Explain the features of the Indian economy at the time of independence.

স্বাধীনতা সময়ৰ ভাৰতীয় অৰ্থনীতিৰ বৈশিষ্ট্যবোৰ ব্যাখ্যা কৰা।

(g) Explain various measures taken by the Government to reduce income inequality in India.

আয়ৰ বৈষম্যতা দূৰ কৰিবলৈ ভাৰত চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহ ব্যাখ্যা কৰা।

(h) Explain the main features of land reform measures.

ভূমি সংস্কাৰৰ প্ৰধান বৈশিষ্ট্যবোৰ ব্যাখ্যা কৰা।

4. Answer ***any two*** of the following questions : 10×2=20

তলৰ প্ৰশ্নবোৰৰ ***যিকোনো দুটা*** উত্তৰ লিখা ঃ

(a) What is MSME? Discuss the role of MSME in income and employment generation of India.

অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ বুলিলে কি বুজা? ভাৰতবৰ্ষৰ আয় আৰু নিয়োগ বৃদ্ধিত অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ ভূমিকা আলোচনা কৰা।

(b) Discuss the trend of growth of GDP and per capital income of India during 1951-80.

১৯৫১-৮০ ৰ সময়কাল ভাৰতবৰ্ষৰ মুঠ ঘৰুৱা উৎপাদন আৰু জনমূৰি আয়ৰ বিকাশৰ গতিধাৰা আলোচনা কৰা।



(c) What is meant by agrarian crisis? Explain the causes of agrarian crisis of India during 1990's.

কৃষিৰ সংকট মানে কি? ১৯৯০ দশকৰ সময়ত ভাৰতবৰ্ষৰ কৃষি সংকটৰ প্ৰধান কাৰণবোৰ আলোচনা কৰা।

(d) What is meant by globalisation? Discuss the impact of globalisation on Indian economy in the post-reform period.

বিশ্বায়ন বুলিলে কি বুজা? অৰ্থনৈতিক সংস্কাৰৰ পৰৱৰ্তী সময়ত ভাৰতীয় অৰ্থনীতিৰ ওপৰত বিশ্বায়নৰ প্ৰভাৱ আলোচনা কৰা।

(e) Discuss the sectoral contribution of Indian economy during 1951-80. Explain the factors responsible for declining agricultural sector's contribution to the national incomes of India.

১৯৫১-৮০ চনৰ সময়ছোৰাত ভাৰতবৰ্ষৰ অৰ্থনীতিৰ খণ্ডভিত্তিক অৰদান কেনে আলোচনা কৰা। ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় আয়লৈ কৃষি খণ্ডটোৰ অৱদান কমি অহাৰ মূল কাৰণসমূহ ব্যাখ্যা কৰা।

---